# শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰসমূহৰ বিকাশ সাধনৰ বাবে প্ৰস্তুত কৰা
# মুক্ত শৈক্ষিক সমল

**শ্ৰেণী ঃ সপ্তম　　　বিষয় ঃ ভাষা-১ (অসমীয়া)　　তৃতীয় সাময়িকী (আগষ্ট, ছেপ্তেম্বৰ), ২০১৮ ইং**

**শিকনৰ ফলাফলৰ ধূসৰ ক্ষেত্ৰ (Grey Area) - ব্যাৱহাৰিক ব্যাকৰণ**
**(গুণোৎসৱৰ -২০১৭, ফলাফল অনুসৰি)**

**শিকনৰ ফলাফলৰ উপক্ষেত্ৰঃ**

⇨ ছাত্ৰ-ছাত্ৰীয়ে জতুৱা ঠাঁচৰ অৰ্থ জানিব পাৰিব।

⇨ ছাত্ৰ-ছাত্ৰীয়ে কথোপকথনত আৰু লিখিত বাক্যত জতুৱা ঠাঁচৰ যথাযথ প্ৰয়োগ কৰি ভাষাৰ সাৱলীল প্ৰকাশভংগী আয়ত্ত কৰিব পাৰিব।

⇨ জতুৱা ঠাঁচ প্ৰয়োগ কৰি কম কথাতে অধিক অৰ্থ প্ৰকাশ কৰিব পৰা দক্ষতা আহৰণ কৰিব পাৰিব।

**শৈক্ষিক দিনপঞ্জী অনুসৰি তৃতীয় সাময়িকী (আগষ্ট-ছেপ্তেম্বৰ) লৈকে জড়িত পাঠ্যপুথিৰ পাঠসমূহ ঃ**

| | | |
|---|---|---|
| ক) জতুৱাৰ জঁট | - | পাঠ নং ১১ |
| খ) পণ্ডিত আনন্দৰাম বৰুৱা | - | পাঠ নং ১২ |
| গ) সেউজী ধৰণী | - | পাঠ নং ১৩ |
| ঘ) ধূলি কণা মই | - | পাঠ নং ১৪ |

**পাতনি ঃ**

এই সমল সামগ্ৰীত “শিক্ষাৰ অধিকাৰ আইন - ২০০৯” অনুসৰি জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিংগ আৰু বিশেষভাৱে সক্ষম শিশু নিৰ্বিশেষে সকলো শিশুৰ প্ৰতি সম আচৰণ দেখুওৱা আৰু সকলোৰে বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষা নিশ্চিত কৰাৰ প্ৰতি দৃষ্টি ৰখা হৈছে।

গুণোৎসৱ মূল্যায়নৰ তথ্য পৰ্যৱেক্ষণ কৰি দেখা গৈছে যে ব্যাকৰণৰ দক্ষতা আহৰণত বহু সংখ্যক ছাত্ৰ-ছাত্ৰী এতিয়াও পিছপৰি আছে। কিছুমান ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও দৈনন্দিন জীৱনত ব্যৱহৃত আৰু পাঠত থকা বিভিন্ন ব্যাকৰণৰ বিষয়ে, যেনে, - জতুৱা ঠাঁচৰ ধাৰণা, কথন বা লিখনত জতুৱা ঠাঁচৰ ব্যৱহাৰ সম্পৰ্কে অৱগত নহয়। কিন্তু ভাষা শুদ্ধকৈ লিখিবলৈ আৰু জানিবলৈ হ'লে সেই ভাষাৰ ব্যাকৰণ ভালকৈ জানিব লাগিব। সেয়েহে এই ব্যাৱহাৰিক ব্যাকৰণৰ অৰ্হতা আহৰণৰ ক্ষেত্ৰত বাধা দিয়া ধূসৰ ক্ষেত্ৰসমূহ চিনি উলিয়াই ছাত্ৰ-ছাত্ৰীৰ উক্ত দিশৰ বিকাশত বিশেষ যত্ন লোৱা প্ৰয়োজন। ইয়াৰ বাবে যথেষ্ট অনুশীলনৰ প্ৰয়োজন। পাঠ্যপুথিত উল্লিখিত অনুশীলনী বা ক্ৰিয়া-কলাপৰ উপৰি আমি শিক্ষকসকলে নিজে কিছুমান ক্ৰিয়া-কলাপ ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব পাৰোঁ। শুদ্ধকৈ ব্যাৱহাৰিক ব্যাকৰণৰ অৰ্হতাসমূহ আয়ত্ত কৰি ব্যৱহাৰ কৰিব পৰাকৈ আমি শিক্ষক হিচাপে কৰিব পৰা শিকন পৰিকল্পনা আৰু ক্ৰিয়া-কলাপেৰে এই সমল সামগ্ৰীটো সজোৱা হৈছে।

ওপৰত উল্লিখিত শিকনৰ ফলাফলসমূহৰ গুৰুত্ব অপৰিসীম —

⇨ অকল পঠন দক্ষতা বৃদ্ধিয়েই নহয়, যি কোনো বিষয় এটা সুন্দৰকৈ উপস্থাপন কৰিবলৈ হ'লে শিকাৰুৰ বাক্যৰ গাঁথনি সম্পৰ্কে দক্ষতাৰ প্ৰয়োজন।

⇨ সকলো ভাষাৰে মনৰ ভাব প্ৰকাশ কৰাৰ একোটা নিৰ্দ্দিষ্ট বৈশিষ্ট্য আছে।
সেয়েহে ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া ভাষাটো কেনেকুৱা নিৰ্দিষ্ট ঠাঁচ বা বৈশিষ্ট্যৰে ক'লে শুনিবলৈ শুৱলা হয়, আৰু যথাৰ্থ হয়, তাৰ জ্ঞান দিব লাগে। সেই ঠাঁচটো হ'ল আমাৰ ভাষাত ব্যৱহাৰ হোৱা জতুৱা ঠাঁচ।

⇨ জতুৱা ঠাঁচৰ ব্যৱহাৰে কথন ভংগীত এক সুকীয়া মাত্ৰা দিয়ে। ইয়াৰ ব্যৱহাৰ ছাত্ৰ-ছাত্ৰীয়ে কথিত আৰু লিখিত ভাষাত ব্যৱহাৰ কৰিব পাৰে।

**এই সমল সামগ্ৰীৰ পৰা শিক্ষক হিচাপে আমি কি শিকিব পাৰিম ঃ**

⇨ ইয়াৰ দ্বাৰাই আমি শ্ৰেণীকোঠাত ব্যাৱহাৰিক ব্যাকৰণ শিকাবলৈ কেনেদৰে পৰিকল্পনা কৰা হয় জানিব পাৰিম।।

⇨ বিভিন্ন ধৰণৰ ক্ৰিয়া-কলাপৰ জৰিয়তে 'জতুৱা ঠাঁচ' প্ৰয়োগ কৰি ভাষাৰ কথন শৈলী বা লিখন শৈলীৰ মান আমি কেনেদৰে উন্নীত কৰিব পাৰোঁ সেই বিষয়ে জানিম।

⇨ স্ব-মূল্যায়ন কৰিব পাৰিম আৰু তুলনামূলক অধ্যয়ন কৰিব পাৰিম।

⇨ 'জতুৱা ঠাঁচ', প্ৰবাদবাক্য, ফকৰা যোজনা আদিৰ জ্ঞান আৰু ইয়াৰ যথাযথ প্ৰয়োগেৰে যে অসমীয়া ভাষাৰ স্বকীয়তা বজাই ৰাখিব পাৰি সেই বিষয়ে জানিব পাৰিম।

⇨ জতুৱা ঠাঁচৰ প্ৰয়োগৰ দ্বাৰা যে কম কথাতে অধিক অৰ্থ প্ৰকাশ কৰিব পাৰি সেই বিষয়ৰ কৌশল আয়ত্ত কৰিব পাৰিম।

বিকাশৰ ব্যৱস্থাৱলী ঃ

⇨ সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে জতুৱা ঠাঁচসমূহ চিনি পোৱা আৰু বাক্যত ব্যৱহাৰ কৰোঁতে ল'ব লগা গুৰুত্ব।

⇨ ছাত্ৰ-ছাত্ৰীসকলক জতুৱা ঠাঁচ আদিৰ ধাৰণা জন্মাবলৈ ক্ৰিয়া-কলাপৰ পৰিকল্পনা কৰিব পৰা।

⇨ জতুৱা ঠাঁচ ব্যৱহাৰ কৰি সৃজনীমূলক লিখনৰ অভ্যাস কৰিব পৰা।

**এই সমলটোত ছাত্ৰ-ছাত্ৰীৰ সৈতে কৰিবলগীয়া শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ এটা আৰ্হিমূলক ৰূপৰেখা সংক্ষেপে উপস্থাপন কৰা হ'ল ঃ**

| শিকনৰ ফলাফল | সামগ্ৰী | শিকন প্ৰক্ৰিয়া | প্ৰশ্নাৱলী | মূল্যায়ন |
|---|---|---|---|---|
| ১) জতুৱা ঠাঁচৰ প্ৰয়োগ কৰি বাক্য ৰচনা কৰিব পাৰিব। | পাঠ্যপুথি-বোৰ্ড, চক পেঞ্চিল, ব্যাকৰণ পুথি, জতুৱা ঠাঁচৰ চাৰ্ট, অভিধান। | ⇨ ক্ৰিয়া-কলাপ<br>⇨ দলীয় শিকন<br>⇨ ব্যক্তিগত শিকন। | তলত দিয়া জতুৱা ঠাঁচ প্ৰয়োগ কৰি বাক্য লিখা<br>⇨আঠুৱাৰ তলৰ ম'হ।<br>⇨নপতা ফুকন | **অবিৰত আৰু সামগ্ৰিক মূল্যায়ন** |
| ২) বিভিন্ন ধৰণৰ জতুৱা ঠাঁচ জানিব পাৰিব, অৰ্থ বুজি পাব।<br>৩) কথন বা লিখন শৈলীত জতুৱা ঠাঁচ প্ৰয়োগ কৰিব পাৰিব। | ⇨ বোৰ্ড, চক পেঞ্চিল<br>⇨ ব্যাকৰণ<br>⇨ অভিধান<br>⇨ চাৰ্ট, কাৰ্ড ইত্যাদি | ⇨ ক্ৰিয়া-কলাপ | ১) 'অ' বৰ্ণৰে আৰম্ভহোৱা কেইটা মান জতুৱা ঠাঁচ কোৱা।<br>২) ভাব বহলাই লিখা<br>৩) জোলোঙাৰ মেকুৰী<br>৪) আটোম টোকাৰি। | |

**ক্ষেত্ৰ অধ্যয়ন** (Case Study)

শিক্ষক ৰেৱতী মোহন শইকীয়াই ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ দুৰ্বল দিশসমূহৰ পৰিপুষ্টি সাধনৰ প্ৰতি সদায়ে সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰি আহিছে। তেখেতে অনুভৱ কৰে যে যদি ছাত্ৰ-ছাত্ৰীয়ে প্ৰাথমিক/উচ্চ প্ৰাথমিক পৰ্যায়তে ব্যাকৰণৰ নীতি নিয়মসমূহ ভালদৰে আয়ত্ত কৰি ল'ব নোৱাৰে, উচ্চ শ্ৰেণীত তেওঁলোকৰ ওপৰত ইয়াৰ কু-প্ৰভাৱ পৰাটো নিশ্চিত।

শ্ৰীযুত শইকীয়াই সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ জতুৱা ঠাঁচৰ সমস্যা সমাধানৰ বাবে কি কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছিল সেই বিষয়ে জাওঁ আহক।

**প্ৰস্তুতি ঃ** তেওঁ ছাত্ৰ-ছাত্ৰীক জতুৱা ঠাঁচৰ বিষয়ে শিকাবলৈ কিছুমান সঁজুলি সাজি লৈছিল -

১) জতুৱা ঠাঁচৰ তালিকা।

২) জতুৱা ঠাঁচ আৰু অৰ্থৰ তালিকা।

৩) পাঠ্যপুথি বহিৰ্ভূত জতুৱা ঠাঁচ প্ৰয়োগ থকা লেখা।

উল্লিখিত সামগ্ৰীসমূহ লগত লৈ শইকীয়া ছাৰে শ্ৰেণীকক্ষত প্ৰৱেশ কৰিছিল আৰু বোৰ্ডত - চকু মুদা কুলি, চুপতা-চুপতি, ঢোলৰ লগত টেমেকা আদি জতুৱা শব্দ কেইটামান লিখি ছাত্ৰ-ছাত্ৰীক অৰ্থ লিখিবলৈ দিলে। কেইজনমান

ছাত্ৰ-ছাত্ৰীৰ বাদে সৰহ সংখ্যকে অৰ্থ লিখিব নোৱাৰিলে। তেখেতে প্ৰথমে জতুৱা ঠাঁচৰ চমু আভাস দিলে; ইয়াৰ পাছত লগত নিয়া তালিকাৰ সহায়ত জতুৱা ঠাঁচ আৰু অৰ্থ সম্পৰ্কে বুজাই কলে। ওজা ছাত্ৰৰ সহায় ল'লে। পাঠ্য পুথিৰ পাঠ নং - ১১ ত থকা জতুৱা ঠাঁচৰ বিষয়েও ছাত্ৰ-ছাত্ৰীক দলীয়ভাৱে আলোচনা কৰিবলৈ দিলে। ইয়াৰ পাছত ছাত্ৰ-ছাত্ৰীয়ে জতুৱা ঠাঁচৰ জ্ঞান কিমান আয়ত্ত কৰিছে তাক জানিবলৈ দল গঠন কৰি লগত নিয়া পাঠ্যপুথি বহিৰ্ভূত জতুৱা ঠাঁচৰ গদ্যাংশ ভাগ কৰি দিলে। জতুৱা ঠাঁচৰ তলত আঁচ টানিবলৈ নিৰ্দেশ দিলে। ছাত্ৰ-ছাত্ৰীৰ সন্মুখত বিভিন্নধৰণৰ উদাহৰণ দাঙি ধৰি জতুৱা ঠাঁচৰ সংজ্ঞা নিৰূপণ কৰিবলৈ চেষ্টা কৰিলে। সমগ্ৰ প্ৰক্ৰিয়া পৰিচালনাত তেওঁ 'আৰোহী' পদ্ধতিত অধিক গুৰুত্ব প্ৰদান কৰিছিল।

এনেদৰে প্ৰায় তিনিটামান পাঠ আদান-প্ৰদান কৰাৰ পাছত দেখা গ'ল ছাত্ৰ-ছাত্ৰীয়ে জতুৱা ঠাঁচৰ বিষয়ে ভালদৰে জ্ঞান আহৰণ কৰিব পৰা হৈছে । নিজৰ বাক্যত অৰ্থ অনুসৰি জতুৱা ঠাঁচ প্ৰয়োগ কৰিব পাৰিছে।

**চিন্তা কৰি চাওঁ আহক ঃ**

১) শ্ৰীযুত ৰেৱতী মোহন শইকীয়া ছাৰে ওজা ছাত্ৰৰ সহায়ত শ্ৰেণীৰ শিকন কাৰ্যবোৰ পৰিচালনা কৰাত কেনে ধৰণৰ সহায় হৈছিল?

২) শ্ৰেণীকোঠাত দল গঠন কৰি শিকন ক্ৰিয়া-কলাপত নিয়োগ কৰাৰ বাবে শইকীয়া ছাৰৰ কি সুবিধা হৈছিল?

৩) ছাত্ৰ-ছাত্ৰীৰ প্ৰতিক্ৰিয়া কেনেধৰণৰ আছিল?

৪) ছাত্ৰ-ছাত্ৰীয়ে ক্ৰিয়া-কলাপটো কৰি আনন্দ পাইছিল নে?

৫) ক্ৰিয়া-কলাপত সকলো ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণৰ সুবিধা পাইছিল নে?

৬) আমিও শিকন ফলাফলৰ দুৰ্বলতা আঁতৰ কৰিবলৈ কিবা নতুন ক্ৰিয়া-কলাপ ল'ব নোৱাৰো নে?

**ক্ৰিয়া-কলাপ ঃ**

**প্ৰস্তুতি**

সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভাষাৰ মান উন্নীত কৰিবলৈ কথোপকথন আৰু লিখিত বাক্যত যাতে উপযুক্ত ভাবে জতুৱা ঠাঁচৰ ব্যৱহাৰ কৰিব পাৰে তাৰ বাবে শিক্ষকে আগতীয়াকৈ পৰিকল্পনা কৰি ল'ব। ছাত্ৰ-ছাত্ৰী সকলক দলত ৪/৫ জনীয়া দলত ভাগ কৰি ল'ব। তাৰ পাছত তলত উল্লেখ কৰা ক্ৰিয়া-কলাপ বোৰ্ডত লিখি দি ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিব।




**(আলাসৰ লাড়ু, অলপ-ধতুৰা, আলৈ-আথানি, মুধা-ফুটা, আও মৰণ, হাত দীঘল)**

প্ৰতিটো দলকে ফুলৰ পাহিত দিয়া শব্দবোৰৰ জতুৱা ঠাঁচবোৰ লিখিবলৈ দিব। পুনৰ জতুৱা ঠাঁচবোৰ ব্যৱহাৰ কৰি বাক্য সাজিবলৈ দিব।

ওপৰত উল্লেখ কৰা ক্ৰিয়া-কলাপবোৰ কৰোঁতে কৰা ভুলসমূহ শিক্ষকে শুধৰাই দিব। ছাত্ৰ-ছাত্ৰীৰ শিকন দক্ষতা সৰলীকৰণৰ বাবে এনেধৰণৰ অন্য ক্ৰিয়া-কলাপ যুগুতাই ল'ব আৰু ছাত্ৰ-ছাত্ৰীক শিকন চক্ৰৰ অনুকূলে পুনঃ পুনঃ অনুশীলনত গুৰুত্ব দিলে জতুৱা ঠাঁচ বিষয়ক অৰ্হতা দৃঢ়ীকৰণ হ'ব।

*বিঃদ্ৰ - শ্ৰেণীকোঠাত থকা বিশেষভাৱে সক্ষম শিশুসকলৰ প্ৰতি বিশেষ যতন ল'ব।*

**সাৰাংশ ঃ**

⇨ ছাত্ৰ-ছাত্ৰীৰ শিকন ঘাটি থকা বিষয়বোৰ স্পষ্ট হৈছে।

⇨ জতুৱা ঠাঁচ কি? সেইবোৰ কেনেকৈ প্ৰয়োগ হয় সেই বিষয়ত অৰ্হতা আহৰণ কৰিব পাৰিছে।

⇨ জতুৱা ঠাঁচৰ প্ৰয়োগে ভাষাৰ মান উন্নীত কৰিব পাৰে বুলি ধাৰণা দৃঢ়ীকৰণ হোৱাৰ লগতে কম কথাতে যে অধিক অৰ্থপূৰ্ণ কথা ক'ব পাৰি বুজিব পাৰিছে।

**দৃঢ়ীকৰণ ঃ**

⇨ তলত দিয়া জতুৱা ঠাঁচ প্ৰয়োগ কৰি বাক্য গঠন কৰা—
গা ঘেলা, চকু মুদা কুলি, ঢোলে দগৰে, তিনি গধুলি।

**ছাত্ৰ-ছাত্ৰীৰ বাবে অনুশীলনী ঃ**

১) তোমাৰ ককাৰা/আইতাৰা, মাৰা-দেউতা বা জ্যেষ্ঠজনে বিভিন্ন সময়ত প্ৰসঙ্গক্ৰমে ব্যৱহাৰ কৰা জতুৱা ঠাঁচবোৰ সংগ্ৰহ কৰি এখন তালিকা প্ৰস্তুত কৰা।

২) তলৰ শব্দকেইটাৰে একোটাকৈ বাক্য ৰচনা কৰা।

ক) জাকত-জিলিকা, খ) আঁকোৰ-গোজ গ) গাই-বাই-চা

ঘ) আলৈ-আথানি ঙ) হুৰা-দুৰা।

৩) অতি কমেও পাঁচটামান জতুৱা ঠাঁচ ব্যৱহাৰ কৰি তোমাৰ ভাললগা যিকোনো এটা বিষয়ৰ ওপৰত এটা দফা লিখা।

৪) ভাব বহলাই লিখা -

ক) আঁঠুৱাৰ তলৰ মহ

খ) আলৈ-আথানি

গ) অকৰা মৈত উঠা

৫) অৰ্থ লিখা -

ক) ঘিট্-মিট্ খ) আও মৰণে মৰা গ ) আপুতৰ-পুত।

**প্ৰসঙ্গ টোকা ঃ**

⇨ পাঠ্যপুথি অংকুৰণ ।

⇨ ধ্বনি বিজ্ঞানৰ ভূমিকা - ড° গোলোক চন্দ্ৰ গোস্বামী।

⇨ অসমীয়া ভাষাৰ উচ্চাৰণ।

⇨ চন্দ্ৰকান্ত আৰু হেমকোষ অভিধান।

***